# **REGIONAL NEWS UNIT**
# AKASHVANI, GUWAHATI
# 0000000000

**Time :** 19-10 Hrs
Date : 06-05-2025

***Assamese Evening Bulletin***
***Headlines***

১। কেন্দ্ৰীয় গৃহ সচিব গোবিন্দ মোহনে কাইলৈ হবলগীয়া অসামৰিক প্ৰতিৰক্ষা অনুশীলনৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে আজি ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুখ্য সচিব সকলৰ সৈতে এখন বৈঠকত মিলিত হয়।

২। গগনযান অভিযান সফল কৰি তোলাৰ ক্ষেত্ৰত নৌ সেনাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি মহাকাশ আৰু পাৰমানবিক শক্তি ৰাজ্যমন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙে প্ৰকাশ কৰিছে।

৩। ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদে এখন ৰুদ্ধদ্বাৰ বৈঠকত পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণক লৈ পাকিস্তানক প্ৰশ্ন কৰিছে।

৪। ভাৰতে ২০২৫ চনত ৪ লাখ ১৮ হাজাৰ ৭০০ কোটি ডলাৰৰ মুঠ ঘৰুৱা উৎপাদনৰ সৈতে বিশ্বৰ চতুৰ্থ সৰ্ববৃহৎ অৰ্থব্যৱস্থাৰূপে পৰিগণিত হোৱাৰ দিশে অগ্ৰসৰ হৈছে। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছুসময়ৰ পাছত মুম্বাই ইণ্ডিয়ানছ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

কেন্দ্ৰীয় গৃহ সচিব গোবিন্দ মোহনে কাইলৈ হবলগীয়া অসামৰিক প্ৰতিৰক্ষা অনুশীলনৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে আজি ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুখ্য সচিব সকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত অসামৰিক প্ৰতিৰক্ষা বিভাগৰ সঞ্চালক প্ৰধান আৰু ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ সঞ্চালক প্ৰধানৰ লগতে অন্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

কেন্দ্ৰীয় চৰকাৰে কালি দেশৰ অসামৰিক প্ৰতিৰক্ষা প্ৰস্তুতিৰ মূল্যায়নৰ উদ্দেশ্যে অনুশীলনৰ আয়োজন কৰিবলৈ ৰাজ্যসমূহৰ প্ৰতি আহ্বান জনাইছিল। সেই অনুসৰি দেশৰ ২৪৪ খন অসামৰিক সুৰক্ষা জিলাত এই অনুশীলন আয়োজন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

০০০০

দেশৰ বিভিন্ন অংশত কাইলৈ হ'বলগীয়া মকড্ৰিল অৰ্থাৎ অসামৰিক প্ৰতিৰক্ষা অনুশীলনৰ পৰিপ্ৰেক্ষিতত আকাশবাণীৰ বাতৰি সেৱা বিভাগে আজি নিশা ৯ বাজি ১৫ মিনিটত ইংৰাজী ভাষাত এটা বিশেষ স্পটলাইট প্ৰচাৰ

কৰিব। অসামৰিক প্ৰতিৰক্ষা আৰু ৰাষ্ট্ৰীয় নিৰাপত্তা সম্পৰ্কীয় এই অনুশীলনৰ বিষয়ে বিশেষজ্ঞৰ মতামত প্ৰচাৰ কৰা হ'ব। এই বিশেষ স্পটলাইট অনুষ্ঠান আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ মহাবাহু আৰু প্ৰাগজ্যোতিষপুৰ দুয়োটা শাখাতে প্ৰচাৰিত হ'ব। এই অনুষ্ঠান প্ৰচাৰৰ বাবে আজি নিশা ৯ বাজি ২৫ মিনিটত প্ৰচাৰ হ'বলগীয়া নিশাৰ আঞ্চলিক বাতৰি ৯ বাজি ৩০ মিনিটত প্ৰচাৰিত হ'ব।

আকাশবাণী গুৱাহাটী কেন্দ্ৰই এই স্পটলাইটৰ অসমীয়া ভাষান্তৰ কাইলৈ পুৱা ৯ বাজি ৩০ মিনিটত প্ৰচাৰ কৰিব। এই অনুষ্ঠান ৰাজ্যখনৰ আটাইবোৰ কেন্দ্ৰই ৰিলে কৰিব।

০০০০

গগনযান অভিযান সফল কৰি তোলাৰ ক্ষেত্ৰত নৌ সেনাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি মহাকাশ আৰু পাৰমানবিক শক্তি ৰাজ্যমন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙে প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মন্ত্ৰীগৰাকীয়ে কয় যে  মহাকাশ আৰু গভীৰ সমুদ্ৰৰ অন্বেষণৰ দিশৰ পৰা ২০২৬ বৰ্ষ ভাৰতৰ বাবে এটা উল্লেখনীয় বৰ্ষ হ'ব। ৰকেট উদ্যমৰ  বাবে  মহাকাশ বিভাগে নতুন আৰ্হি আৰু পি এম গতিশক্তি, স্বামীত্ব, স্মাৰ্ট ছিটি আৰু অমৃতৰ দৰে ৰাষ্ট্ৰীয় কাৰ্যসূচীসমূহত মহাকাশ আৰু ড্ৰোন প্ৰযুক্তিৰ বৰ্ধিত ব্যৱহাৰৰ বিষয়ে তেওঁ আলোকপাত কৰে। ৰেলৰে, স্বাস্থ্য সেৱা আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰতো এনে প্ৰযুক্তি ব্যৱহাৰ কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ভাৰতীয় মহাকাশ সংস্থাই ইছৰোৰ অধ্যক্ষ ড০ ভি নাৰায়ণনে কয় যে প্ৰথম মানৱবিহীন গগনযান ২০২৫ চনৰ শেষভাগলৈ আৰু মহাকাশচাৰীৰ সৈতে ২০২৭ চনৰ প্ৰথম ভাগত গগনযান মহাকাশলৈ প্ৰেৰণ কৰা হ'ব। তেওঁ লগতে  গোলকীয় মহাকাশ অন্বেষণ সন্মিলন ২০২৫ কাইলৈ নতুন দিল্লীত আৰম্ভ হব বুলি জানিবলৈ দিয়ে।

০০০০

পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ত কাইলৈ ১৩ খন জিলাত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ইতিমধ্যে  প্ৰিজাইডিং আৰু প'লিং বিষয়াসকল নিজ নিজ ভোটগ্ৰহণ কেন্দ্ৰত উপস্থিত হৈছে। নিৰ্বাচনৰ বাবে জিলা প্ৰশাসনসমূহ সম্পূৰ্ণৰূপে সাজু হৈ উঠিছে।

এই পৰ্যায়ৰ বাবে মুঠ ১২ হাজাৰ ১৩০টা ভোটকেন্দ্ৰ স্থাপন কৰা  হৈছে। এই পৰ্যায়ত ৯১ লাখ ৩১ হাজাৰ ১২৭ গৰাকী ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিব। দ্বিতীয় পৰ্যায়ত মুঠ ২৯ হাজাৰ ৬০৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ইয়াৰ ভিতৰত জিলা পৰিষদত ৪৯৫ গৰাকী, আঞ্চলিক পঞ্চায়তত দুহেজাৰ ৩৮৮ গৰাকী আৰু গাঁও পঞ্চায়ত সদস্য পদত ২৬ হাজাৰ ৭২৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ইতিমধ্যে এহেজাৰ ২৮৯ গৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কাটাৰৰ আমীৰ **ছেইখ তামিম বিন হামাদ অল থানিৰ** সৈতে টেলিফোনযোগে কথা পাতে। কথোপকথনত শ্ৰীথানিয়ে পেহেলগামত সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাক লৈ সমবেদনা জ্ঞাপন কৰে। তেওঁ লগতে সন্ত্ৰাসবাদ বিৰোধী যুজ আৰু পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ ষড়যন্ত্ৰকাৰীসকলক আইনৰ কাঠগড়ালৈ অনাৰ বাবে লোৱা ব্যৱস্থাৰ ক্ষেত্ৰত ভাৰতলৈ পূৰ্ণ সমৰ্থন আগবঢ়োৱাৰ কথা প্ৰকাশ কৰে।

০০০০

ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদে এখন ৰুদ্ধদ্বাৰ বৈঠকত পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণক লৈ পাকিস্তানক প্ৰশ্ন কৰিছে। ভাৰত আৰু পাকিস্তানৰ মাজৰ বৰ্ধিত উত্তেজনাৰ মাজত অনুষ্ঠিত এই বৈঠকত ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ কেইবাখনো সদস্য ৰাষ্ট্ৰই পাকিস্তানক সমালোচনা কৰে আৰু এই আক্ৰমণক পাকিস্তানস্থিত লস্কৰ এ তৈয়বাৰ ভূমিকাক লৈ উদ্বেগ প্ৰকাশ কৰিছে। ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ অধ্যক্ষ ইৰেন্‌গেলোছ ছেকেৰিছে বৈঠকখন ফলপ্ৰসূ বুলি প্ৰকাশ কৰিছে। তেওঁ লগতে শান্তিৰ প্ৰতি সমৰ্থন আৰু উত্তেজনা হ্ৰাস কৰাৰ ক্ষেত্ৰত পৰিষদৰ ভূমিকাৰ বিষয়ে গুৰুত্ব আৰোপ কৰে। ৰাষ্ট্ৰসংঘৰ সহকাৰী সচিব প্ৰধান মহম্মদ খালিদ খিয়াৰিয়ে বৈঠকত কয় যে সকলো পক্ষকে উত্তেজনা হ্ৰাস কৰিব বিচাৰে। ৰাষ্ট্ৰসংঘত ৰাছিয়া উপ স্থায়ী প্ৰতিনিধি আন্না এৱস্তিগ্নীৱাই উত্তেজনা হ্ৰাস পাব বুলি আশা প্ৰকাশ কৰে।

বৈঠকত ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনিঅ' গুটেৰেছে স্থিতি অধিক উত্তেজনাপূৰ্ণ বুলি মন্তব্য কৰে। তেওঁ লগতে ভাৰত আৰু পাকিস্তান উভয়কে সামৰিক সংঘাত এৰাই চলিবলৈ আহ্বান জনায়। ২৬ জনকৈ নিৰীহ লোকৰ প্ৰাণ কাঢ়ি লোৱা পেহেলগাম আক্ৰমণক গৰিহণা দি গুটেৰেছে কয়, যে এই ঘটনাক লৈ সৃষ্টি হোৱা ক্ষোভৰ বিষয়ে তেওঁ বাৰুকৈয়ে অৱগত। ০০০০

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী এন্থনী এলবেনিজৰ দ্বিতীয়টো ঐতিহাসিক কাৰ্যকালৰ আৰম্ভণিৰ প্ৰাকমুহূৰ্তত শুভেচ্ছা জ্ঞাপন কৰে। ফোনযোগে হোৱা কথা বতৰাত ভাৰতৰ প্ৰধানমন্ত্ৰীজনে দুয়োখন দেশৰ মাজৰ বিস্তৃত কৌশলগত অংশিদাৰিত্ব শক্তিশালী কৰি তোলা হ'ব বুলি নৱ নিৰ্বাচিত প্ৰধানমন্ত্ৰীজনক প্ৰতিশ্ৰুতি প্ৰদান কৰে। লগতে দুয়োজন প্ৰধানমন্ত্ৰীয়ে বিভিন্ন দিশৰ বিকাশৰ ক্ষেত্ৰত এই কৌশলগত অংশিদাৰিত্বক অধিক শক্তিশালী ৰূপেৰে সহযোগিতাৰ মাজেৰে ব্যৱহাৰ কৰাৰ ওপৰত জোৰ দিয়ে। দুয়োজন নেতাই প্ৰবাসী ভাৰতীয়সকলে দ্বিপাক্ষিক বান্ধোন দৃঢ় কৰাৰ ক্ষেত্ৰত আগবঢ়োৱা সহযোগিতাৰ বিষয়ে আগবঢ়োৱা সহযোগিতাৰ বিষয়ে উল্লেখ কৰে। লগতে দুয়োখন দেশৰ বাবে সহায়ক হোৱা আঞ্চলিক আৰু গোলকীয় পৰ্যায়ৰ বিষয়সমূহৰ ওপৰত আলোকপাত কৰি মুক্ত, স্থিৰ তথা ন্যায়গতভাৱে এছিয় প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ উন্নতিৰ হকে কাম কৰাৰ ওপৰত গুৰুত্ব দিয়ে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰীজনক এইবৰ্ষৰ শেষৰ ফালে ভাৰতত অনুষ্ঠিত হ'বলগীয়া বাৰ্ষিক সন্মিলন তথা কোৱাড সন্মিলনলৈ আহিবলৈ আমন্ত্ৰণ জনায়।

০০০০

ভাৰতে ২০২৫ চনত ৪ লাখ ১৮ হাজাৰ ৭০০ কোটি ডলাৰৰ মুঠ ঘৰুৱা উৎপাদনৰ সৈতে বিশ্বৰ চতুৰ্থ সৰ্ববৃহৎ অৰ্থব্যৱস্থাৰূপে পৰিগণিত হোৱাৰ দিশে অগ্ৰসৰ হৈছে। দেশে ২০২৫ চনৰ ভিতৰত জাপানৰ ৪ লাখ ১৮ হাজাৰ ৬০০ কোটি ডলাৰৰ মুঠ ঘৰুৱা উৎপাদন চেৰ পেলোৱাৰ সম্ভাৱনা আছে।

আন্তৰাষ্ট্ৰীয় মুদ্ৰানিধিৰ বিশ্ব আৰ্থিক দৃষ্টিভংগী সম্পৰ্কীয় শেহতীয়া প্ৰতিবেদন অনুসৰি ভাৰতৰ বিশ্বৰ দ্ৰুত বিকাশশীল গুৰুত্বপূৰ্ণ অৰ্থব্যৱস্থা মৰ্যাদা অক্ষুন্ন আছে আৰু দেশখন পৰৱৰ্তী দুটা বছৰত ৬ শতাংশৰো অধিক বিকাশ লাভ কৰাৰ সম্ভাৱনা থকা একমাত্ৰ দেশ। ইয়াৰ বিপৰীতে ব্যৱসায় যোদ্ধাৰ বাবে জাপান বেয়াকৈ প্ৰভাৱিত হোৱাৰ সম্ভাৱনা আছে বুলি প্ৰতিবেদনত প্ৰকাশ কৰা হৈছে। ২০২৫-২০২৬ বৰ্ষৰ দেশখনৰ বিকাশ হাৰ ০ দশমিক ৬ শতাংশ হব বুলি কোৱা হৈছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কাটাৰৰ আমীৰ **ছেইখ তামিম বিন হামাদ অল থানিৰ** সৈতে টেলিফোনযোগে কথা পাতে। কথোপকথনত শ্ৰীথানিয়ে পেহেলগামত সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাক লৈ সমবেদনা জ্ঞাপন কৰে। তেওঁ লগতে সন্ত্ৰাসবাদ বিৰোধী যুজ আৰু পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ ষড়যন্ত্ৰকাৰীসকলক আইনৰ কাঠগড়ালৈ অনাৰ বাবে লোৱা ব্যৱস্থাৰ ক্ষেত্ৰত ভাৰতলৈ পূৰ্ণ সমৰ্থন আগবঢ়োৱাৰ কথা প্ৰকাশ কৰে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছুসময়ৰ পাছত মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত মুম্বাই ইণ্ডিয়ানছ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। মুম্বাই ইণ্ডিয়ানছ বৰ্তমানলৈকে এঘাৰ খন খেলৰ পৰা ১৪ পইণ্ট লাভ কৰি তৃতীয় স্থান আছে। গুজৰাট টাইটানছেও ১০ খন খেলৰ পৰা ১৪ পইণ্ট লাভ কৰিছে যদিও ৰাণ ৰেটৰ ভিত্তিত চতুৰ্থ স্থানত আছে।

০০০০

বিশ্বৰ বিভিন্ন প্ৰান্তত আজি বিশ্ব হাপানী দিৱস পালন কৰা হৈছে। হাপানী ৰোগৰ বিষয়ে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে মে'ৰ প্ৰথমটো মঙলবাৰে এই দিৱস পালন কৰা হয়।

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী বিশ্ব হাপানী দিৱস উপলক্ষে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয়, যে হাপানী ৰোগ নিয়ন্ত্ৰণৰ বাবে প্ৰাৰম্ভিক অৱস্থাতে ৰোগবিধৰ চিনাক্তকৰণ আৰু সঠিক চিকিৎসা অতিকে জৰুৰী। তেওঁ লগতে হাপানী ৰোগজনিত বিভিন্ন জটিলতা হ্ৰাস কৰা আৰু দেশত শ্বাস প্ৰশ্বাসজনিত স্বাস্থ্যৰ প্ৰসাৰৰ বাবে একেলগে কাম কৰিবলৈ নীতি প্ৰণেতা, চিকিৎসা কৰ্মী আৰু সমাজৰ প্ৰতি আহ্বান জনায়।

০০০০

ঃঃ সমাপ্ত ঃঃ